# বাহৰেইন পেট্ৰ'লিয়াম কো.লিমিটেড.

## বনাম

## পি. জে. পাপ্পু আৰু অন্যান্য

১৯৬৫ চনৰ ১৬ আগষ্ট

( ন্যায়াধীশ কে. চুব্বাৰাও, জে. আৰ. মুধোলকাৰ, আৰু আৰ এছ বাচাৱাট )

*মধ্যস্থতাকাৰী আইন (১৯৪০ চনৰ ১০ ),ধাৰা ৩৪ আৰু ৩৯(১)- স্থগিতাদেশৰ বাবে আবেদন- খাৰিজ- আপীল-আদালতৰ অধিকাৰক্ষেত্ৰৰ স্বীকৃতি।*

প্ৰতিবাদীয়ে আপীলকাৰীসকলৰ পৰা দৰমহাৰ পাৰিতোষিক আৰু বকেয়া পুনৰুদ্ধাৰৰ বাবে এটা গোচৰ ৰুজু কৰিছিল। আপীলকাৰীসকলে ভাৰতীয় মধ্যস্থতাকাৰী আইন, ১৯৪০ৰ ধাৰা ৩৪ৰ অধীনত গোচৰৰ স্থগিতাদেশৰ বাবে আবেদন কৰিছিল আৰু গোচৰটোৰ বিচাৰ কৰিবলৈ আদালতৰ অধিকাৰক্ষেত্ৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। তেওঁলোকে আপীল আৰু পুনৰীক্ষণ আদালতলৈকে যুঁজিছিল আৰু স্থগিতাদেশৰ আদেশ লাভ কৰিব নোৱাৰাৰ বাবে তেওঁলোকে নিজৰ লিখিত বিবৃতি দাখিল কৰাৰ অনুমতিৰ বাবে বিচাৰ আদালতত আবেদন কৰিবলৈ বাধ্য হৈছিল , আৰু অনুমতি দিয়াৰ পিছত তেওঁলোকে বিচাৰৰ অধিকাৰ ক্ষেত্ৰত আপত্তি কৰি লগতে মেৰিটৰ ওপৰতো আবেদন জনাই । অধিকাৰক্ষেত্ৰৰ প্ৰশ্নটো প্ৰাথমিক বিষয় হিচাপে গণ্য কৰা হৈছিল, আৰু বিচাৰ আৰু আপীল আদালতে আপীলকাৰীৰ সপক্ষে সিদ্ধান্ত লৈছিল। কিন্তু পুণৰীক্ষণত, উচ্চ ন্যায়ালয়ে কৈছিল যে ক্ষেত্ৰাধিকাৰ ক্ষেত্ৰৰ ওপৰত থকা আপত্তি আপীলকাৰীৰ দ্বাৰা প্ৰত্যাহাৰ কৰা হৈছিল।

এই আদালতত কৰা আবেদনত, আপীলকাৰীসকলে বিচাৰাধীন আদালতৰ ক্ষেত্ৰাধিকাৰৰ ওপৰত তেওঁলোকৰ আপত্তিক পৰিহাৰ কৰা নাছিল। [৪৬৪ ডি-ই]

এজন প্ৰতিবাদীয়ে বিচাৰৰ অধিকাৰ ক্ষেত্ৰৰ আপত্তিটো ত্যাগ কৰিব পাৰে আৰু পৰৱৰ্তী সময়ত ইয়াক গ্ৰহণকৰাত বাধা দিয়া হ'ব পাৰে। কিন্তু আপীলকাৰীসকলে অতি সোনকালে তেওঁলোকৰ প্ৰতিবাদ দাখিল কৰিছিল আৰু তেওঁলোকৰ আপত্তিত অটল আছিল। মধ্যস্থতাকাৰী আইনৰ ধাৰা ৩৪-ৰ অধীনত গোচৰটো স্থগিত ৰখাৰ বাবে যিখন আদালতত গোচৰটো বিচাৰাধীন হৈ আছে, সেই আদালতত কৰা আবেদন কোনো কাৰণতে সেই স্বীকৃতি নহয় যে আদালতৰ গোচৰটোৰ বিচাৰ কৰাৰ অধিকাৰ আছে, বা আদালতৰ আদেশৰ পৰা আপীল কৰিব নোৱাৰে, ধাৰা ৩৯(১)ৰ অধীনত, সেই প্ৰভাৱ পেলাব নোৱাৰে, কিয়নো ধাৰা ২(গ)ত "আদালত"ৰ সাধাৰণ সংজ্ঞা ধাৰা ৩৪-ত গ্ৰহণ কৰিব নোৱাৰি।

উচ্চ ন্যায়ালয়ৰ আদেশৰ পৰিণামস্বৰূপে আপীলকাৰীসকলে ন্যায়ৰ বিফলতাৰ অভিযোগ বা প্ৰমাণ কৰাৰ প্ৰয়োজন নাই, কিয়নো, দেৱানী প্ৰক্ৰিয়া বিধিৰ ধাৰা ২১ৰ অধীনত গোচৰ ৰুজু কৰাৰ স্থানৰ বিষয়ে আপত্তি প্ৰতিৰোধ নকৰে, যদিহে আপীল বা পুনৰীক্ষণ আদালতত আপত্তি লোৱাৰ সময়ত বিচাৰ আদালতে মূল বিষয়ৰ ওপৰত ৰায় দিয়া নাই। [৪৬৩ বি-চি; এফ; ৪৬৪ বি-জি]

দেৱানী আপীল অধিকাৰক্ষেত্ৰ : দেৱানী আপীল নং ৪৩২/১৯৬৫।

কেৰালা উচ্চ ন্যায়ালয়ৰ দেৱানী পুণৰীক্ষণ আবেদন নং. ৫৩৬/১৯৬৩ত ১৯৬৪ চনৰ ১৯ অক্টোবৰ, তাৰিখৰ ৰায় আৰু আদেশৰ পৰা বিশেষ অনুমতিৰ দ্বাৰা কৰা আপীল।

জি. বি. পাই, জে. বি. দাদাচাঞ্জি, অ. চি. মাথুৰ আৰু ৰবীন্দ্ৰ নাৰায়ণ আপীলকাৰীৰ হৈ।

গোপাল সিং, প্ৰতিবাদীৰ নং ১-ৰ হৈ ।

আদালতৰ ৰায়টো ন্যায়াধীশ বাচাৱাটৰ দ্বাৰা প্ৰদান কৰা হৈছিল ।

বাদী জন দ্বিতীয় প্ৰতিবাদী, বাহৰেইন পেট্ৰ'লিয়াম কোম্পানী লিমিটেডৰ নিযুক্তিত এজন টাইপিষ্ট কেৰাণী আছিল। প্ৰথম প্ৰতিবাদীজন বোম্বাইৰ কোম্পানীৰ নিযুক্ত এজেণ্ট আছিল। বোম্বাইত সেৱাৰ চুক্তি স্বাক্ষৰিত হৈছিল। সেৱাৰ চুক্তিৰ অধীনত কাৰ্যক্ষেত্ৰটো আছিল ভাৰতৰ বাহিৰৰ বাহৰেইন দ্বীপ। বাদীয়ে কোম্পানী আৰু ইয়াৰ নিয়োগকাৰী এজেণ্টৰ বিৰুদ্ধে পাৰিতোষিক আৰু বকেয়া পুনৰুদ্ধাৰৰ বাবে কোচিনৰ অধীনস্থ ন্যায়াধীশৰ আদালতত এটা গোচৰ ৰুজু কৰিছিল। দুয়োজন প্ৰতিবাদীয়ে ভাৰতীয় মধ্যস্থতাকাৰী আইন, ১৯৪০-ৰ ধাৰা ৩৪ৰ অধীনত গোচৰটো স্থগিত ৰখাৰ বাবে কোচিন আদালতত আবেদন কৰিছিল। কোচিন আদালতে মোকৰ্দমাটো স্থগিত ৰাখিবলৈ অস্বীকাৰ কৰিছিল। এই আদেশৰ পৰা ইমাকুলামৰ জিলা আদালতত কৰা আবেদন খাৰিজ কৰা হৈছিল, আৰু একেদৰে উচ্চ ন্যায়ালয়ত কৰা পুনৰীক্ষণ আৱেদনও খাৰিজ কৰা হৈছিল। ইয়াৰ মাজতে, কোচিন আদালতে এক আদেশ প্ৰদান কৰি ঘোষণা কৰে যে গোচৰটো একপক্ষীয়ভাৱে আগবাঢ়িব লাগে। প্ৰতিবাদীসকলৰ দ্বাৰা কৰা আবেদনত, এই আদেশটো বাতিল কৰা হৈছিল, আৰু প্ৰতিবাদীসকলক তেওঁলোকৰ লিখিত বিবৃতি দাখিল কৰিবলৈ অনুমতি দিয়া হৈছিল। তেওঁলোকৰ লিখিত বিবৃতিত, প্ৰতিবাদকাৰীসকলে যোগ্যতাৰ ওপৰত আবেদন কৰিছিল আৰু কোচিন আদালতৰ ক্ষেত্ৰীয় অধিকাৰক্ষেত্ৰকো বিতৰ্ক কৰিছিল। প্ৰতিবাদকাৰীসকলৰ আবেদনৰ ভিত্তিত কোচিন আদালতে বিচাৰ ক্ষমতাৰ ক্ষেত্ৰত প্ৰাথমিক বিষয়টো বিচাৰ কৰে। কোচিন আদালতে কৈছিল যে মোকৰ্দমাটো বিচাৰ কৰাৰ কোনো ক্ষেত্ৰীয় অধিকাৰ নাই, আৰু আৰু আবেদনখন সঠিক আদালতত দাখিল কৰিবলৈ ঘূৰাই পঠোৱাৰ নিৰ্দেশ দিয়ে। এৰ্নাকুলামৰ জিলা

ন্যায়াধীশৰ ওচৰত কৰা আবেদন খাৰিজ কৰা হৈছিল। কিন্তু, পুণৰীক্ষণৰ পিছত, কেৰালা উচ্চ ন্যায়ালয়ে কৈছিল যে প্ৰতিবাদীসকলে বিচাৰ আদালতৰ আঞ্চলিক অধিকাৰক্ষেত্ৰৰ ওপৰত আপত্তি প্ৰত্যাহাৰ কৰিছিল, নিম্ন আদালতৰ আদেশবোৰ আঁতৰাই ৰাখিছিল, আৰু কোচিন আদালতক যোগ্যতাৰ ওপৰত গোচৰটো বিচাৰ কৰিবলৈ নিৰ্দেশ দিছিল। দ্বিতীয় প্ৰতিবাদীজনে এতিয়া বিশেষ অনুমতিৰ আবেদনৰ দ্বাৰা এই আদালতত আপীল কৰিছে। প্ৰতিবাদীসকলে কোচিন আদালতৰ অধিকাৰক্ষেত্ৰৰ স্থানীয় সীমাৰ ভিতৰত বাস কৰা নাছিল বা ব্যৱসায় চলোৱা নাছিল বা গোচৰৰ কাৰণৰ কোনো অংশ  স্থানীয় সীমাৰ ভিতৰত উদ্ভৱ হোৱা নাছিল। সেয়েহে, কোচিন আদালতৰ দেৱানী প্ৰক্ৰিয়া বিধি, ১৯০৮-ৰ ধাৰা ২০ৰ অধীনত গোচৰটো বিচাৰ কৰাৰ কোনো ক্ষেত্ৰীয় অধিকাৰ নাছিল।

বাদী-প্ৰতিবাদীৰ পৰামৰ্শদাতাই দাখিল কৰিছিল যে এই আপত্তিটো ত্যাগ কৰাটো প্ৰতিবাদীসকলৰ বাবে মুকলি আছিল, আৰু যদি তেওঁলোকে এনে কৰে, তেওঁলোকে পৰৱৰ্তী সময়ত আপত্তিটো ল'ব নোৱাৰে। এই দাখিলটো ভালদৰে প্ৰতিষ্ঠিত। সাধাৰণ নিয়ম হিচাপে, সন্মতি বা ৰেহাই  কোনোৱেই আদালতক অধিকাৰ প্ৰদান কৰিব নোৱাৰে, অন্যথা গোচৰটো বিচাৰ কৰিবলৈ অক্ষম। কিন্তু বিধিৰ ২১ নং ধাৰা ইয়াৰ ব্যতিক্ৰম  আৰু ই গোচৰ ৰুজু কৰাৰ স্থানৰ বিষয়ে এক ত্ৰুটি প্ৰদান কৰে, অৰ্থাৎ, বিধিৰ অধীনত আদালতৰ দ্বাৰা জ্ঞাত গোচৰৰ বাবে স্থানীয় স্থান এই ধাৰাৰ অধীনত ৰেহাই দিয়া হ'ব পাৰে। ২১ নংধাৰাৰ অধীনত এই ৰেহাই , আপীল আৰু পুণৰীক্ষণৰ আপত্তিৰ ক্ষেত্ৰত সীমিত। কিন্ত ২১ নং ধাৰা এই নীতিৰ এক বিধিগত স্বীকৃতি যত ধাৰা ১৫ৰ পৰা ২০ৰ অধীনত গোচৰ ৰুজু কৰা স্থানৰ ক্ষেত্ৰত থকা ত্ৰুটি ৰেহাই দিব পাৰি।

এই ধাৰাৰ অধীনত প্ৰতিবাদীয়ে আপত্তিটো ত্যাগ কৰিব পাৰে আৰু পৰৱৰ্তী সময়ত

ইয়াক লোৱাৰ পৰা বাধা দিয়া হ'ব পাৰে। ( চাওক ছেঠ হীৰা লাল পাটনী বনাম শ্ৰী কালি নাথ।(১))

বাদীজনৰ অধিবক্তাই আৰু দাবী কৰিছিল যে , প্ৰকৃততে, প্ৰতিবাদীসকলে তেওঁলোকৰ আচৰণৰ দ্বাৰা আপত্তিটো ত্যাগ কৰিছে। যদিও এই দাখিলটোৱে উচ্চ ন্যায়ালয়ৰ অনুকূলতা লাভ কৰিছিল, আমি ইয়াক মানি ল'ব পৰা নাই। যদি প্ৰতিবাদীয়ে বিচাৰ আদালতক গোচৰ ৰুজু কৰাৰ স্থানৰ বিষয়ে আপত্তি উত্থাপন নকৰাকৈ ৰায় দিবলৈ অনুমতি দিয়ে আৰু তেওঁৰ পক্ষত ৰায় দিয়াৰ সুযোগ লয় তেন্তে তেওঁ স্পষ্টভাৱে আপত্তিটো ত্যাগ কৰে, তেতিয়া পৰৱৰ্তী সময়ত ইয়াক উত্থাপন কৰিবলৈ অনুমতি দিয়া নহ'ব। আনকি ক'ব পাৰি যে কোনো প্ৰতিবাদ অবিহনে কাৰ্য্যবিধিত প্ৰতিবাদকাৰীয়ে দীৰ্ঘদিনীয়া আৰু অবিৰতভাৱে অংশগ্ৰহণ কৰাটো উপযুক্ত ক্ষেত্ৰত আপত্তিৰ পৰা ৰেহাই দিয়াৰ সমান হ'ব পাৰে। কিন্তু, এই ক্ষেত্ৰত আমি প্ৰতিবাদকাৰীসকলৰ কোনো আচৰণ বিচাৰি নাপাওঁ যিটো ৰেহাইৰ সমান , বা যিয়ে তেওঁলোকক আপত্তি উত্থাপন কৰাত বাধা দিয়ে।

গোচৰটোত যিকোনো পদক্ষেপ লোৱাৰ আগতে, ভাৰতীয় মধ্যস্থতাকাৰী আইন ১৯৪০ৰ ধাৰা ৩৪ৰ অধীনত প্ৰতিবাদীসকলে গোচৰটোৰ স্থগিত থকাৰ বাবে আবেদন কৰিছিল। স্থগিতাদেশৰ আবেদনত তেওঁলোকে আদালতৰ বিচাৰ ক্ষমতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। সেই আৱেদনখনৰ দফা ৫ত তেওঁলোকে স্পষ্টভাৱে উল্লেখ কৰিছিল যে কোচিন আদালতৰ গোচৰটো গ্ৰহণ কৰাৰ কোনো অধিকাৰ নাই। তেওঁলোকে যোগ্যতাৰ ওপৰত গোচৰটোৰ বিচাৰ কৰাত আপত্তি কৰিছিল, আৰু কোচিন আদালতৰ সন্মুখত স্থগিতাদেশ ৰখাৰ বাবে হেঁচা দিছিল আৰু আদালতত আপীল আৰু পুণৰীক্ষণৰ আবেদনৰ দ্বাৰা যুঁজ দিছিল। স্থগিতাদেশ প্ৰাপ্ত কৰাত ব্যৰ্থ হোৱাৰ বাবে, তেওঁলোকে তেওঁলোকৰ লিখিত, বিবৃতি দাখিল কৰাৰ অনুমতিৰ বাবে আদালতত

আবেদন কৰিবলৈ বাধ্য হৈছিল, আৰু অনুমতি প্ৰদান কৰাৰ পিছত তেওঁলোকে অধিকাৰ ক্ষেত্ৰত আপত্তি জনাই আৰু যোগ্যতাৰ ওপৰতআবেদন দাখিল কৰিছিল। সমগ্ৰ সময়ছোৱাত, প্ৰতিবাদকাৰীসকলে গোচৰটোৰ বিচাৰ কৰিবলৈ আদালতৰ ক্ষমতাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। তেওঁলোকে তেওঁলোকৰ প্ৰতিবাদ দাখিল কৰিছিল, আৰু তাৰ পিছত তেওঁলোকৰ আপত্তিত অটল আছিল। কোনো পৰ্যায়তে তেওঁলোকে তেওঁলোকৰ আপত্তি  ত্যাগ কৰা নাছিল।

উচ্চ ন্যায়ালয়ৰ মতে  ভাৰতীয় মধ্যস্থতাকাৰী আইনৰ ধাৰা ২(গ),৩৪ আৰু ৩৯ প্ৰভাৱ হ’ল যে কোচিন আদালতে গোচৰটো স্থগিত ৰাখিবলৈ অস্বীকাৰ কৰা আদেশৰ বিৰুদ্ধে,৩৯ নংধাৰাৰ অধীনত আপীল দাখিল কৰ হৈছিল, প্ৰতিবাদীসকলে স্বীকাৰ কৰিব লাগিব যে কোচিন আদালত হৈছে গোচৰটোৰ বিচাৰ কৰাৰ অধিকাৰ থকা আদালত। ৩৪ নং ধাৰাত আবেদন ন্যায়িক কৰ্তৃপক্ষৰ ওপৰত নিৰ্ভৰশীল , যাৰ সন্মুখত এখন আবেদন দাখিল কৰা হৈছিল। ধাৰা ৩৪ৰ অধীনত হোৱা আদালতৰ আদেশৰ পৰা আপীল কৰাৰ অনুমতি ধাৰা৩৯(১) ত দিয়া হৈছে। ধাৰা ২(গ) ত "আদালতৰ ” সংজ্ঞা এনেদৰে দিয়া হৈছে যে দেৱানী আদালতৰ  বিষয়বস্তু গঠন কৰা প্ৰশ্নটোৰ সিদ্ধান্ত লোৱাৰ  অধিকাৰ আছে যদিহে মোকৰ্দমাৰ বিষয়বস্তু একে হ'লহেঁতেন। ধাৰা ২(গ), ৩৪ আৰু ৩৯-ক একেলগে  পঢ়াৰ পিছত, উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তত উপনীত হৈছিল যে 'এছ. ৩৯(১)ৰ অধীনত আপীল দাখিল কৰি, প্ৰতিবাদীসকলে স্বীকাৰ কৰিছিল যে কোচিন আদালত যাৰ আগত ধাৰা ৩৪ৰ অধীনত আবেদন কৰা হৈছিল, সেইটো হৈছে ২(গ)ত নিৰ্ধাৰিত আদালত, আৰু সেয়েহে, গোচৰটোৰ শুনানি লোৱাৰ অধিকাৰ থকা এখন আদালত। আমি যুক্তিৰ এই শাৰীটো গ্ৰহণ কৰিবলৈ অক্ষম। আনকি ধাৰা ৩৪ৰ অধীনত "ন্যায়িক কৰ্তৃপক্ষ" শব্দটোৰ বাবে "আদালত" শব্দটো প্ৰতিস্থাপন কৰিলেও, এনে লাগিব যে ধাৰা ২(গ)ত "আদালত"ৰ সাধাৰণ সংজ্ঞা টো ধাৰা

৩৪ৰ ওপৰত প্ৰভাৱ নেপেলাব। গোচৰ এটা স্থগিতৰখাৰ বাবে এনে আদালতত আবেদন কৰিব লাগিব যাৰ আগত গোচৰটো বিচাৰাধীন হৈ আছে। সেই আদালতৰ অধিকাৰ থাকিব পাৰে বা নাথাকিবও পাৰে যদিহে প্ৰসংগটোৰ বিষয়বস্তু গঠন কৰা প্ৰশ্নবোৰ নিৰ্ণয় কৰিব পাৰে, যদি সেইটো এটা মোকৰ্দমাৰ বিষয়-বস্তু হ'লহেঁতেন। তথাপিও,আবেদন সেই আদালতত কৰিব লাগিব, বেলেগ আদালতত নহয়। ধাৰা ৩৪ৰ অধীনত গোচৰ স্থগিত ৰখাৰ বাবে যি আদালতৰ সন্মুখত গোচৰ চলি আছে তাত, আবেদন দিয়াটোৱে সেইটো কোনো কাৰণতে স্বীকৃতি নিদিয়ে যে সেই আদালতৰ গোচৰটো বিচাৰ কৰাৰ অধিকাৰ আছে, বা ধাৰা ৩৪ মতে আদালতৰ আদেশৰ পৰা আপীল কৰাৰ পথ থাকিব নোৱাৰে। সেয়েহে, আমি ধৰি লওঁ যে প্ৰতিবাদীসকলে কোচিন আদালতৰ অধিকাৰক্ষেত্ৰৰ বিষয়ে তেওঁলোকৰ আপত্তি ত্যাগ কৰা নাছিল। বাদীজনৰ অধিবক্তাই এইটোও দাবী কৰে যে প্ৰতিবাদীসকলে অভিযোগ বা প্ৰমাণ নকৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ আদেশৰ ন্যায়ৰ বিফলতা হৈছে বুলি কোনো অভিযোগ বা প্ৰমাণ নকৰাকৈ, তেওঁলোকক 'এই আদালতত বিধিৰ ২১ নং ধাৰাৰ অধীনত আপত্তি উত্থাপন কৰাৰ পৰা বিৰত ৰখা হৈছে। আমি ভাবো যে এই বিবাদৰ কোনো জোৰ নাই। গোচৰটো এতিয়াও যোগ্যতাৰ ওপৰত বিচাৰ কৰা হোৱা নাই। এতিয়ালৈকে, কেৱল অধিকাৰ ক্ষেত্ৰৰ প্ৰাথমিক বিষয়টোহে বিচাৰ কৰা হৈছে। বিষয়টো বিচাৰ আদালত আৰু জিলা আদালতৰ দ্বাৰা প্ৰতিবাদীসকলৰ সপক্ষে আৰু উচ্চ ন্যায়ালয়ে তেওঁলোকৰ বিৰুদ্ধে সিদ্ধান্ত লৈছিল, আৰু 'উচ্চ ন্যায়ালয়ৰ আদেশৰ পৰা, এই আপীল কৰা হৈছিল। এই পৰ্যায়ত ন্যায়ৰ ফলস্বৰূপে বিফলতা হ'ব নোৱাৰে। "যদিহে ন্যায়ৰ বিফলতা হোৱা নাই" এই চৰ্তটোৱে বুজায় যে যি সময়ত আপীল বা পুনৰীক্ষণ আদালতত আপত্তি লোৱা হয় , সেই সময়ত মামলাৰ বিচাৰ ইতিমধ্যে মূল ভিত্তিত কৰা হৈছে। ধাৰাটোৱে গোচৰৰ স্থানৰ বিষয়ে আপত্তি কৰাত বাধা নিদিয়ে , যদিহে আপীল বা পুনৰীক্ষণ আদালতত আপত্তি লোৱাৰ সময়ত বিচাৰ আদালতে গুৰুত্বৰ ওপৰত ৰায়

দিয়া নাই।

ন্যায়াধীশ ভেংকটাৰমা আয়াৰৰ ৰায়দানত , কিৰণ সিং আৰু অন্যান্য বনাম চমন পাছৱান আৰু অন্যান্য(') গোচৰত এই কথাটো স্পষ্টকৈ উত্থাপন কৰা হৈছে এইদৰে:

> "দেৱানী প্ৰক্ৰিয়া সংহিতাৰ ২১ আৰু ৯৯ নং ধাৰা আৰু মামলা মূল্যায়ন আইনৰ ১১ নং ধাৰাত অন্তৰ্নিহিত নীতি একেই , অৰ্থাৎ যেতিয়া কোনো গোচৰৰ ভিত্তি আৰু প্ৰদান কৰা ৰায়ৰ ওপৰত আদালতে বিচাৰ কৰিছিল তেতিয়া ইয়াক সম্পূৰ্ণৰূপে কাৰিকৰী ভিত্তিত ওলোটা কৰাটো অনুচিত, যদিহে ইয়াৰ ফলত ন্যায়বিফল হোৱানাছিল আৰু আইনসভাৰ নীতি হৈছে ক্ষেত্ৰীয় আৰু আৰ্থিক দুয়োধৰণৰ অধিকাৰ ক্ষেত্ৰত আপত্তিক কাৰিকৰী হিচাপে গণ্য কৰা আৰু আপীল আদালতৰ দ্বাৰা বিবেচনাৰ বাবে মুকলি নহয়, যদিহে যোগ্যতাৰ ওপৰত কোনো কোনো পক্ষপাতিত্ব হোৱা নাই।"

আপীলৰ অনুমতি দিয়া হৈছে, উচ্চ ন্যায়ালয়ৰ ৰায়টো আঁতৰাই ৰখা হৈছে, আৰু বিচাৰ আদালত আৰু জিলা আদালতৰ আদেশ পুনৰুদ্ধাৰ কৰা হৈছে। ব্যয়ৰ বিষয়ে কোনো আদেশ নাথাকিব।

আপীলৰ অনুমতি দিয়া হৈছে।

অনুবাদক - বিতাবি মহন্ত(অধিবক্তা)
পৰীক্ষক- প্ৰণৱ জ্যোতি বৰা
জ্যেষ্ঠ অনুবাদক
গৌহাটী উচ্চ ন্যায়ালয়